# ‘তেখেত আছিল এগৰাকী প্ৰকৃত ‘মেন অব্ লেটাৰ্ছ’’

(৯ মাৰ্চ ২০১৯ তাৰিখে গুৱাহাটীৰ বিবেকানন্দ কেন্দ্ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত ‘মুনীন বৰকটকী সাহিত্য বঁটা’ প্ৰদান অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে দিয়া ভাষণ)

মুনীন বৰকটকী স্মাৰক ন্যাসে আয়োজন কৰা বঁটা প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ পাই নথৈ আনন্দিত হৈছোঁ। সৃষ্টিশীল আৰু সমালোচনাত্মক উভয় দিশতে অবিস্মৰণীয় অৰিহণা আগবঢ়োৱা সাহিত্যিকগৰাকী অসমীয়া সাহিত্যৰ বিকাশ আৰু অগ্ৰগতিৰ বাবেও সমানে উদ্বিগ্ন হৈ পৰিছিল। অসমীয়া সাহিত্যৰ ভৱিষ্যৎ নবীন লেখকসকলৰ হাতত— এই কথা তেখেতে উপলব্ধি কৰিছিল। সেইবাবে তৰুণ লেখকসকলক উৎসাহিত কৰিবলৈ তেখেতে যত্নৰ ত্ৰুটি কৰা নাছিল। মুনীন বৰকটকী স্মাৰক ন্যাসে বৰেণ্য সাহিত্যিকগৰাকীৰ নামত নবীন সাহিত্যিকসকলৰ বাবে বঁটা প্ৰদান কৰি দূৰদৰ্শিতাৰ পৰিচয় দিছে। সুখৰ কথা, এই সুযোগত এখন নতুন সাহিত্য সমাজেই গঢ় লৈ উঠিছে।

মুনীন বৰকটকী নিঃসন্দেহে বিংশ শতাব্দীৰ শ্ৰেষ্ঠ অসমীয়া লেখকসকলৰ এগৰাকী। চুটিগল্প, কবিতা, নাটক, প্ৰবন্ধ, ৰম্য ৰচনা, জীৱনী, সমালোচনা, সাংবাদিকতা— এই সকলো দিশতে তেখেতে তেখেতৰ প্ৰতিভাৰ স্বাক্ষৰ এৰি থৈ গৈছে। তেখেতক বাদ দি মধ্যবিংশ শতিকাৰ অসমৰ বৌদ্ধিক পৰিৱেশ তথা সাংস্কৃতিক পৰিস্থিতিৰ মূল্যায়ন সুদূৰ পৰাহত। তেখেতৰ সাহিত্যকৃতিৰ সঠিক মূল্যায়ন কৰিবলৈ হ’লে তেখেতৰ সৃষ্টিশীল আৰু সমালোচনাত্মক— উভয় দিশতে সমানে গুৰুত্ব দিব লাগিব। বৰকটকী নিঃসন্দেহে অসমীয়া সাহিত্যৰ এগৰাকী আগশাৰীৰ গল্পকাৰ। মাথোন আধা ডজনমান সাৰ্থক গল্প সৃষ্টি কৰিয়েই তেখেতে এই স্থান অধিকাৰ কৰিছে। তেখেতৰ গল্পচৰ্চা *আৱাহন*ৰ জন্মলগ্নৰেপৰা আৰম্ভ হৈ আলোচনীখনৰ প্ৰথম পৰ্বৰ সমাপ্তিৰ লগে লগে সমাপ্ত হয়। কাৰণ, ১৯৪০ চনত *জয়ন্তী*ত ওলোৱা ‘তাই আৰু মই’ শীৰ্ষক গল্পটোৰ পাছত আৰু তেখেতে গল্প লিখা নাই। সেয়া হ’লেও তেখেতৰ শ্ৰেষ্ঠ চুটিগল্পখিনিয়ে আমাক অভিভূত কৰে। তেখেতৰ গল্পত প্ৰকাশ পোৱা কাল চেতনাও অতীৱ প্ৰশংসনীয়। আংগিকৰ পৰীক্ষা-নিৰীক্ষাও চমকপ্ৰদ। তেখেতৰ চুটিগল্প আধুনিক চেতনাৰ পৰিবাহক। তেখেত নিঃসন্দেহে *আৱাহন* যুগৰ সৰ্বাধুনিক গল্পকাৰ।

হোমেন বৰগোহাঞিয়ে লিখিছে— “*আৱাহন* যুগৰ কেইবাজনো শক্তিশালী গল্পকাৰৰ প্ৰিয় বিষয়বস্তু আছিল নৰ-নাৰীৰ সম্পৰ্কৰ অন্তহীন ৰহস্যানুসন্ধান।” এই ৰহস্যানুসন্ধান গল্পকাৰ বৰকটকীয়েও কৰিছিল। তেখেতৰ শ্ৰেষ্ঠ গল্প (সম্ভৱতঃ *আৱাহন* যুগত প্ৰকাশিত এই ধাৰাৰ শ্ৰেষ্ঠ গল্পও) ‘অপ্ৰকাশৰ বেদনা’ত তাৰ স্বাক্ষৰ আছে। গুৱাহাটীৰ স্কুললৈ বদলি হৈ আহি তৰুণ আখ্যায়কে পিতৃবন্ধু ‘ডাঃ খুৰা’ৰ হাউলিতে খালী ঘৰ এটাত থাকিলহি। অচিৰেই ঘৰখন তেওঁৰ আপোন হৈ পৰিল। ডাঃ খুৰাৰ ছোৱালী লিলিয়ে তেওঁক দাদা বুলি মাতে আৰু ইটো-সিটো কথা সুধি ধেমালি কৰে। ইতিমধ্যে লিলি ডাঙৰ হৈ আহিল আৰু আখ্যায়ক অলক্ষিতে তাইৰ প্ৰেমত পৰিল। অপ্ৰকাশৰ বেদনাত তেওঁ শুকাই-খিনাই যাবলৈ ধৰিলে। লিলিয়ে ৰোগ ঠিকেই নিৰ্ণয় কৰিছিল— তেওঁৰ ভালপোৱাৰ পাত্ৰজন কোন তাকেহে ভাবি পোৱা নাছিল। এদিন লিলিয়ে পেৰি ধৰাত তেওঁ লিলিৰ হাত এখনত ধৰি তেওঁৰ ফালে আকৰ্ষণ কৰিলে। লিলিয়ে “দাদা ছিঃ” বুলি উছাট মাৰি গুচি গ’ল। লাজ-অপমানত মুহ্যমান আখ্যায়ক জহি-খহি যাবলৈ ধৰিলে। তেওঁ তেজপুৰলৈ বদলি হৈ গ’ল। লিলিৰ বিয়াৰ চিঠি আহিল। দৰা বিলাতফেৰৎ। আখ্যায়কেও পতিগতপ্ৰাণা অকণিক বিয়া কৰাই আনিলে আৰু ল’ৰা-ছোৱালী এহালৰ পিতৃ-মাতৃ হ’ল। যদিও তেওঁ জীৱনৰ মোহ হেৰুৱালে। দাৰিদ্য, মানসিক যন্ত্ৰণা আৰু দুৰাৰোগ্য ক্ষয় ৰোগে শেষ কৰি অনা ‘দাদা’কক চাবলৈ লিলি গিৰীয়েকৰ সৈতে ঢপলিয়াই আহিল আৰু ইমানদিনে তাইক খবৰ এটা নিদিয়া বাবে অনুযোগ কৰিলে। অনুশোচনাত তাইৰ জীৱনো দগ্ধ হৈছিল। তাই ‘বৌয়েক’ক ভিতৰৰপৰা উলিয়াই আনিলে। বৰকটকীৰ অবিস্মৰণীয় ভাষাত— “মুখৰ মাত হৰিল। নিস্তব্ধ এই নৰিয়া কোঠালিটোত চাৰিটি প্ৰাণীয়ে নীৰৱে থাকিও কিহবাৰ এটা কোলাহল আনি দিলে। কথাৰ নহয়; কথা নোকোৱাৰ, কথা নথকাৰ— ভাবৰ, দৃষ্টিৰ, বেদনাৰ, উশাহ-নিশাহৰ।”

বৰকটকীৰ চুটিগল্পত মনোবৈজ্ঞানিক চৈতন্যৰ চাপ গভীৰ। তেৱেঁই সম্ভৱতঃ অসমীয়া সাহিত্যত

এই ধাৰাৰ গল্পৰ বাটকটীয়া। ৰঘুনাথ চৌধাৰীৰ দ্বিতীয় পৰ্বৰ *জয়ন্তী*ত প্ৰকাশিত 'তাই আৰু মই' গল্পত বৰকটকীয়ে চেতনাস্ৰোত পদ্ধতিক অসমীয়া সাহিত্যলৈ বোৱাই আনে। জীৱনৰ গান আৰু নাৰীৰ পক্ষত থিয় হৈ লিখা 'জয় নে পৰাজয়' গল্পত সমালোচনাত্মক বাস্তৱতা (Social realism)ৰ পদ্ধতিত মধ্যবিত্ত জীৱনৰ ফোঁপোলা স্বৰূপ উদঙাই দিয়া হৈছে।

যজ্ঞেশ্বৰ শৰ্মাৰ মতে সমালোচকৰ গাত উদাৰতা, নিৰপেক্ষতা আৰু ৰসগ্ৰাহিতা— এই তিনিটা গুণ থাকিব লাগে। এই তিনিটা গুণ বৰকটকীদেৱৰ গাত আছিল। *আৱাহন* যুগৰ প্ৰায় জন্মলগ্নৰপৰাই সৃষ্টিশীল লেখকগৰাকী সমালোচকগৰাকীৰ হাত ধৰা-ধৰিকৈ আছিল। তেখেতৰ গঠনমূলক সমালোচনা নতুন অসমীয়া সাহিত্যৰ অগ্ৰগতিৰ সহায়ক হৈছিল। *আৱাহন* যুগৰ পুৰোধা গল্পকাৰ ৰমা দাশে যৌন আবেদনমূলক চুটিগল্প লিখি বহুতৰে অপ্ৰিয়ভাজন হোৱাৰ উপৰি তেওঁৰ বাবে অতীৱ প্ৰয়োজনীয় টিউচনটোও হেৰুৱাইছিল। তৰুণ সমালোচকগৰাকীয়ে তেতিয়া দাশৰ সপক্ষে থিয় দি কলম চলাইছিল। তেখেতৰ গঠনমূলক ভৱিষ্যদৰ্শী সমালোচনা প্ৰত্যেকটো দশকতে অসমীয়া সাহিত্যৰ সহায়ক হৈছিল। বৰকটকীদেৱে ইংৰাজী সাহিত্যৰ উপৰি 'কণ্টিনেণ্টেল' সাহিত্য মনোযোগেৰে অধ্যয়ন কৰিছিল। পশ্চিমীয়া সাহিত্যৰ বিষয়ে তেখেতে লিখা আলোচনাত্মক প্ৰবন্ধবোৰ সম্ভৱতঃ আলোচনীৰ পাততে আছে। বিদেশী সাহিত্য অধ্যয়ন কৰি মনৰ দিগন্ত প্ৰসাৰিত কৰাটো তেখেতৰ মতে অপৰিহাৰ্য্য কাম আছিল। বাহিৰৰ খিৰিকীখন খুলিবলৈ সমাজত চামনি বন্ধা ধূলি-বালি নিষ্কাসনৰ ক্ষেত্ৰত তেখেতে লোৱা উদ্যোগ সময় সাপেক্ষও আছিল। কৈশোৰত কলিকতাত পঢ়িছিল বাবে কলকাতাত আৰম্ভ হোৱা আধুনিকতাৰ জয়যাত্ৰা উপলব্ধি কৰাৰ সুযোগ তেখেতে তেখেতৰ 'ইম্প্ৰেছনেব্‌ল' বছৰকেইটাতে পাইছিল বাবে এই বাস্তৱতাত ভাগ ল'বলৈ তেখেতৰ প্ৰজন্মক সোঁৱৰাইছিল। কূপ-মণ্ডুকতা সাহিত্যৰ প্ৰসাৰৰ অনুকূল নহয়, এই কথা তেখেতে উপলব্ধি কৰিছিল।

বিশ্বসাহিত্যৰ ৰসপানৰ প্ৰতি অনুৰক্ত সাহিত্যিক-চিন্তাবিদগৰাকী নিজৰ ওচৰ-পাঁজৰৰ অসমীয়া সাহিত্যিক, চিন্তাবিদ, শিল্পী আৰু দেশপ্ৰেমিকসকলৰ প্ৰতি কাহানিও আওকণীয়া নাছিল— এইকথা তেখেতে *বিস্মৃত ব্যতিক্ৰম* আৰু মৰণোত্তৰভাৱে প্ৰকাশ পোৱা *বন্দিত বৰেণ্য*ৰ পাতে পাতে বিদ্যমান। পোনতে তেখেতে আধুনিক জীৱনীৰ পিতৃস্বৰূপ, আমাৰ সকলোৰে প্ৰিয় লীটন ষ্ট্ৰেচী (Giles Lytton Strachey)ৰ আদৰ্শ আগত ৰাখি আগবাঢ়িব খুজিছিল। কিন্তু তেখেতে মন কৰিলে যে ষ্ট্ৰেচীৰ তীব্ৰ শ্লেষাত্মক সমালোচনা ইংৰাজ বৰেণ্যসকলৰ প্ৰত্যেকৰ বিৰুদ্ধে প্ৰকাশিত একাধিক বিশাল 'ডাব্‌ল ডেকৰ' জীৱনীৰ ওপৰত আধাৰিত। অথচ, আমাৰ বৰেণ্যসকলৰ বিষয়ে পূৰ্ণাংগ জীৱনী দূৰৰ কথা, তেওঁলোকক বিহুৰে-সংক্ৰান্তিয়েও মনত পেলোৱাৰ দস্তুৰ নাই! তদুপৰি *বিস্মৃত ব্যতিক্ৰম*ৰ প্ৰবন্ধসমূহ তেখেতে জীয়াই থকা বৰেণ্যসকলৰ বিষয়েহে লিখিছিল। এই প্ৰবন্ধসমূহত বৰকটকীদেৱৰ চিন্তা আৰু ৰীতিও আছিল ব্যতিক্ৰম।

তেখেতে লিখা মতে, "জীৱনীবিলাক লিখাৰ ভংগী একেবাৰে বেলেগ আছিল। জীৱনী বুলিও ক'ব নোৱাৰি, আত্মজীৱনী বুলিও ক'ব নোৱাৰি।" *বিস্মৃত ব্যতিক্ৰম*ত অম্বিকাগিৰীৰ দৰে খ্যাতনামা ব্যক্তিৰ বিষয়েও আছে আৰু অখ্যাতনামা, দৰদী ব্যক্তিৰ বিষয়েও আছে। এইসকল ব্যক্তিৰ জীৱনৰ খুটি-নাটি, তেওঁলোকৰ সান্নিধ্যলৈ অহা সৰু মানুহৰ মানৱীয়তা আদিও সংৰচিত হৈছে। এই প্ৰবন্ধসমূহ গতানুগতিক জীৱনীমূলক প্ৰবন্ধও নহয়। গ্ৰন্থখন পঢ়িলে বৰকটকীদেৱে তেখেতৰ ক্ষুৰধাৰ কলমেৰে উজলাই তোলা এটা 'প'ৰ্ট্ৰেইট গেলাৰী'ত সোমোৱা যেন লাগে। তেখেতৰ অননুকৰণীয় গদ্যৰ নিদৰ্শনো গ্ৰন্থখনৰ পাতে পাতে বিদ্যমান।

অন্তৰ্মুখী যেন লাগিলেও মুনীন বৰকটকীয়ে দেশৰ আৰু দহৰ খবৰো ৰাখিছিল। জগতখনত কি ঘটিছে জানিবলৈ দেশ-বিদেশৰ কাকত ৰাখিছিল। বহুতে নাজানে যে সন্দিকৈদেৱেও অসমত প্ৰকাশ পোৱা সকলো কাকত-আলোচনী খৰচি মাৰি পঢ়িছিল।

সন্দিকৈদেৰৰ দৰে বৰকটকীয়েও দেশৰ কল্যাণৰ কথা চিন্তা কৰিছিল। ৰাজনৈতিক পৰিস্থিতিৰ প্ৰতিও অনুসন্ধিৎসু আছিল আৰু গণতন্ত্ৰৰ অৱনমন হ'লে ব্যথিত হৈছিল। অন্যায়ৰ প্ৰতিবাদো কৰিছিল। কিন্তু অনুকূল অৱস্থাতো তেখেত সংসদীয় ৰাজনীতিৰ প্ৰতি আগ্ৰহী নহ'ল। দৰাচলতে তেখেত আছিল এগৰাকী প্ৰকৃত 'মেন অব্ লেটাৰ্ছ' আৰু সাহিত্য তথা সাহিত্যালোচনাই আছিল তেখেতৰ চিন্তা-চৰ্চা প্ৰকাশৰ মাধ্যম। 'মেন অব্ লেটাৰ্ছ' হিচাপে তেখেতৰ ভূমিকা তেখেতে নিয়াৰিকৈ পালন কৰি গ'ল।

— উপেন্দ্ৰনাথ শৰ্মা

মুনীন বৰকটকী সাহিত্য বঁটা প্ৰদান অনুষ্ঠান,

বিবেকানন্দ কেন্দ্ৰ, উজান বজাৰ, গুৱাহাটী-১

০৯/০৩/২০১৯